লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ৩; সংখ্যা: ৪; জানুৱাৰী-জুন, ২০২২

# নিৰ্মলপ্ৰভা বৰদলৈৰ 'মৰ্মান্তিক'

✍ড° তনয় জ্যোতি দুৱৰা

**প্ৰস্তাৱনা :**

সাম্প্ৰতিক যুগৰ কবিসকলৰ ভিতৰত নিৰ্মলপ্ৰভা বৰদলৈ এগৰাকী অন্যতম কবি। 'বনফৰিঙৰ ৰং', 'দিনৰ পিছত দিন', 'সমীপেষু', 'সুদীৰ্ঘ দিন আৰু ঋতু' কাব্য পুথিৰে অসমীয়া কাব্যকানন সমৃদ্ধ কৰা বৰদলৈৰ কবিতাত প্ৰতীক, চিত্ৰকল্প আৰু গীতিধৰ্মীতা লক্ষ্য কৰা যায়। লোকসংস্কৃতিবিদ হিচাপে তেওঁৰ কবিতাত লোক-সাংস্কৃতিক সমলৰ প্ৰয়োভৰ আছে। তদুপৰি মানুহৰ মনোজগতক লৈ তেওঁ বহু কবিতা ৰচনা কৰিছে। নাৰীৰ মন-মানসিকতা, যন্ত্ৰণা, ক্ষোভ আদিৰ উন্মুক্ত প্ৰকাশ ঘটিছে তেওঁৰ বহু কবিতাত। ইতিহাস প্ৰসিদ্ধ নাৰী চৰিত্ৰকো বাস্তৱিক মনোবৈজ্ঞানিক দৃষ্টিভংগীৰে পৰ্যবেক্ষণ কৰাটো তেওঁৰ আন এক পাৰদৰ্শিতা। 'দ্ৰৌপদী', 'গান্ধাৰী', 'সীতা' আদি কবিতাত নাৰীমন আৰু নাৰী মুক্তিৰ প্ৰকাশ চিত্তাকৰ্ষক।

এৰি অহা দিনেবাৰলৈ উভটি যোৱাৰ প্ৰবল আকুতি তেওঁৰ কবিতাৰ অন্য এটা দিশ। প্ৰকৃতিৰ লগত এক নিবিড় আত্মিক সম্পৰ্ক কেতেবাৰ কবিতাত সুন্দৰ প্ৰকাশ ঘটিছে। গ্ৰাম্যজীৱনক উপজীব্য কৰি তেওঁ বহুকেইটা কবিতা ৰচনা কৰিছে। "মধ্যবিত্ত জীৱনৰ প্ৰতিকূল পৰিবেশ, অৰ্থনৈতিক তাড়না, নগৰ জীৱনৰ প্ৰতি বিদ্বেষ আৰু নগৰ সভ্যতাৰ স্ন'বাৰি আৰু প্ৰতাৰণা তেওঁৰ কবিতাৰ উপেভাগ্য সামগ্ৰী।"(আধুনিক অসমীয়া কবিতা, পৃ. ১১১)

নিৰ্মল প্ৰভা বৰদলৈৰ কবিতাত প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগ লক্ষ্য কৰা যায়। প্ৰতীকে বক্তব্যৰ অন্তৰালত থকা অতিৰিক্ত ধাৰণা কিছুমান কঢ়িয়াই আনে। ব্যঞ্জনাৰ জৰিয়তে প্ৰতীকৰ ৰহস্য ফাদিল হয়। বৰদলৈৰ কবিতাত প্ৰতীকে বিচক্ষণতা দাবী কৰিব পাৰে। চিত্ৰকল্পৰ প্ৰয়োগ বৰদলৈৰ কবিতাত মন কৰিবলগীয়া। তেওঁৰ বহুবোৰ কবিতা পঢ়িলে চকুৰ আগত একোখন ছবি জিলিকি উঠে। অনুভৱৰ ৰহণ আৰু শব্দৰ তুলিকাৰে কবিয়ে পাঠকৰ মনত এক নিবিড় চিত্ৰ অংকন কৰি কবিতাক মোহনীয় কৰি তোলে। এইক্ষেত্ৰত নিৰ্মলপ্ৰভা বৰদলৈ বেচ সিদ্ধহস্ত।

**নিৰ্মলপ্ৰভা বৰদলৈৰ মৰ্মান্তিকৰ বিশ্লেষণ :**

নিৰ্মলপ্ৰভা বৰদলৈয়ে গ্ৰাম্য কৃষিজীৱী সমাজক উপজীব্য কৰি কেইবাটাও কবিতা ৰচনা কৰিছে। তাৰ ভিতৰত 'মৰ্মান্তিক' এটা

অন্যতম কবিতা। সময় সলনি হোৱাৰ লগে লগে সমাজৰ সমকালীন সাহিত্যত তাৰ প্ৰভাৱ প্ৰতিফলিত হয়। সম্প্ৰতি অসমীয়া সমাজখনৰ বহুত পৰিবৰ্তন সাধন হ'ল। শিক্ষাৰ প্ৰসাৰ, আধুনিক বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰে আগৰ গ্ৰাম্য জীৱনৰ ৰেহৰূপ সমূলি সলাই পেলালে। লগে লগে অসমীয়াৰ মন মানসিকতাতো বস্তুবাদী আৰু ভোগবাদী মনোভাৱৰ আমদানি ঘটিল। কবি নিৰ্মলপ্ৰভা বৰদলৈয়ে 'মৰ্মান্তিক' কবিতাটোত গ্ৰাম্যজীৱনৰ বিদায়ৰ এক কৰুণ চিত্ৰ তুলি ধৰিছে -

তেওঁক মই যোৱাগৈ দেখিছিলো
বেলি লহিওৱাৰ পৰত
পথাৰৰ বকিয়াইদি।

ইয়াত 'তেওঁ' এক সত্তা যিটোক আমি গ্ৰাম্য জীৱন (Folk Life) বুলিব পাৰো। কবিতাটো পঢ়িলে এনে লাগে যেন পথৰুৱা এটি সৰু আলিয়েদি এজন খেতিয়কে ডাঙৰিৰ ভাৰ লৈ সন্ধিয়া পৰত ঘৰমুৱা হৈছে। বেলি লহিওৱা বা সন্ধিয়া পৰটোৱে এক তাৎপৰ্য বহন কৰিছে। সন্ধিয়াৰ লগে লগে এটা দিনৰ অন্ত পৰে আৰু প্ৰত্যাশিত আন এটা দিনলৈ অপেক্ষা কৰা যায়। কবিতাটোত তাৰেই ইংগিত বহন কৰিছে। এই কৃষিজীৱী গ্ৰাম্য শ্ৰমজীৱী সৰল মানুহৰ যি সভ্যতা আৰু সংস্কৃতি সেয়া শেহ হোৱাৰ সময় সমাগত। ইয়াৰ পিছত যিটো দিনৰ আগমন ঘটিব সেয়া বিজ্ঞান প্ৰযুক্তি বিদ্যাই দিয়া এক যন্ত্ৰবৎ জীৱনৰ প্ৰাৰম্ভণি হোৱাৰ সম্ভাৱনা আছে।

কবিতাটোত লোক-সাংস্কৃতিক সমলৰ প্ৰয়োভৰ আছে। পথাৰ মেটমৰা ডাঙৰি, জাপি, খেৰৰ চুবুৰি, কেঁচা আলি-পদুলি, আঘোণৰ ৰ'দ, চৰাই আদিয়ে অসমীয়া গ্ৰাম্য জীৱনৰ বিনন্দীয়া চিত্ৰখন তুলি ধৰিছে। অসমৰ গাঁও-ভূঁইৰ বোকাপানীৰ অকৃত্ৰিম সমাজখন অতি জীৱন্ত ৰূপত কবিতাটোত জিলিকি আছে। 'মেটমৰা ডাঙৰিৰ জিৰিক জিৰিক মাত'ত অসমীয়া জীৱন ছন্দ আৰু প্ৰকৃতিৰ প্ৰাচুৰ্যময় ৰূপটোক মনত পেলাই দিয়ে। মাটিৰ সৈতে মানুহৰ খেতিৰ লগত চহা গ্ৰাম্য জীৱনৰ নিবিড় সম্পৰ্ক অনুভৱ কৰাত কবিতাটোৱে উদ্‌গনি যোগায়। আজিৰ পৰা কেইটামান দশকৰ আগতে অসমীয়া লোকজীৱন আছিল সম্পূৰ্ণৰূপে গাঁৱলীয়া, কৃষিজীৱী, হস্তশিল্পী আৰু বিশ্বাসপ্ৰৱণ। বিজ্ঞান, প্ৰযুক্তিবিদ্যা, যন্ত্ৰশিল্প, উদ্যোগ, কল-কাৰখানা আদিৰপৰা অসমীয়া সমাজে বহু নিলগত বসতি কৰিছিল। ঔপনিৱেশবাদৰ আগমনৰ লগে লগে অসমীয়া সমাজ জীৱনৰ আমূল পৰিবৰ্তন সাধন হ'ল। ৰেলগাড়ী আহিল, জাহাজ আহিল, তেল শোধানাগাৰ আহিল, কল-কাৰখানা আহিল, মানুহে গাঁও এৰি চহৰমুখী হ'ল, শ্ৰমজীৱী মানুহ চাকৰিজীৱীলৈ পৰিবৰ্তন হ'ল। হস্তশিল্পী যন্ত্ৰশিল্পীলৈ পৰ্যবেশিত হ'ল। লাহে লাহে গ্ৰাম্য সমাজ-সংস্কৃতিত আমূল পৰিবৰ্তন সাধন হ'ল।

সমাজত এক ধৰণৰ জটিল মানসিকতাৰো আগমন হ'ল। অসমীয়া মানুহৰ স্বভাৱসুলভ সৰলতাত জটিল চৰিত্ৰ কিছুমানে গা কৰি উঠিল। মুঠৰ ওপৰত অসমীয়া মানুহৰ মাত-কথা, আচাৰ-আচৰণ আৰু অসমীয়া জাতীয় চৰিত্ৰৰ ক্ৰমান্বয়ে পৰিবৰ্তন হৈ গৈ আছে।

গৈ আছিল
আৰু
গ'ল গৈ —

- গ্ৰাম্য নিভাঁজ লোক জীৱনটো লাহে লাগে গৈ আছে আৰু গৈ গৈ লুপ্ত হোৱাৰ অন্তিম স্তৰত ভৰি দিছে তাকে বৰ মৰ্মস্পৰ্শী ৰূপত কবিয়ে তুলি ধৰিছে।

লোক জীৱনলৈ আধুনিকতাৰ প্ৰভাৱ আহিল ব্ৰিটিছ ঔপনিৱেশিকতাৰ পিছত। আধুনিকতাৰ প্ৰভাৱত আমাৰ গ্ৰাম্য জীৱনলৈ বহুত পৰিবৰ্তন আহিল। আধুনিক বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱত যান্ত্ৰিক সভ্যতাৰ আগমনৰ লগে লগে অসমীয়া বাৰে-বহণীয়া লোক-সংস্কৃতি ক্ষেত্ৰৰ পৰা বহুবোৰ সম্পদে মেলানি মাগিলে। জাপি গ'ল, ছাতি আহিল, নাঙল, ফুঁৰলি, মৈ, কাঁচি, কোৰ, কটাৰীৰ ঠাইত পাৱাৰ টিলাৰ, ট্ৰেক্টৰ, ক্ৰপ কাটাৰ আহিল। অত্যাধুনিক Rotavator, Rota Seed Drill, Sprayar, Trailers, Loaders, Fertilizer Spreader, Water Pump আদি নিত্য নতুন যন্ত্ৰ সৃষ্টিয়ে কৃষিৰ আমূল পৰিবৰ্তন সাধিছে। স্থানীয় শস্যৰ পৰিবেৰ্ত্তে হাইব্ৰীড বীজৰ প্ৰাধান্য আহিল। মুঠৰ ওপৰত পৰম্পৰাগত গ্ৰাম্য কৃষিসভ্যতা বিলুপ্তিৰ দিশলৈ ক্ৰমান্বয়ে গৈ আছে। পৰম্পৰাগত চহা জীৱনৰ বেলি লহিওৱাৰ পৰ সমাগত। এই চহা জীৱন সদায় গৈ আছে আৰু গৈ থাকিব। অসমীয়া সোণসেৰীয়া যি গ্ৰাম্য জীৱন সেয়া বিশ্বায়নৰ ধামখুমীয়াত গণ-সংস্কৃতিৰ (Mass Culture)ৰ লগত বিলীন হৈ যাব। অসমীয়া সংস্কৃতি Hyper Realism ৰূপত যাদুঘৰত সংৰক্ষিত হৈ থাকিব। এনে এক গভীৰ বেদনাবোধেৰে কবিয়ে কৈছে —

কোনে জানে
তেওঁ আৰু
এই জন্মত
উভটি আহিবনে নাহে।।

এই গৈ থকা লোক-সংস্কৃতি জানো এদিন আকৌ ঘূৰি আহিব। নিশ্চয় আগৰ ৰূপত ঘূৰি নাহে। সংস্কৃতি সংৰক্ষণৰ হকে জাগৰণ সৃষ্টি হ'লেও অতীতৰ নিভাঁজ ৰূপত কেতিয়াও ঘূৰাই পোৱা নাযাব। যান্ত্ৰিকতাই গছ-গছনি, চৰাই-চিৰিকটি, প্ৰকৃতিলৈ এক বিৰাট প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। খাল, বিল, নদ-নদী, গছ-গছনি কাটি উদ্যোগ প্ৰতিষ্ঠা হোৱাৰ ফলত চৰায়ে বাঁহ সাজিব লগা হৈছে বিদ্যুতৰ খুঁটা অথবা অট্টালিকাৰ কোনোবা এটা চুকত। গান গোৱা চৰাই জাকক যান্ত্ৰিক সভ্যতাই নিৰ্বাসন দিছে। প্ৰকৃতি আৰু লোক-সংস্কৃতিলৈ অহা এনেবোৰ পৰিবৰ্ত্তনৰ কাঠামো ভাঙি

আকৌ আগৰ ৰূপ পোৱাটো এই জনমত সম্ভৱপৰ নহয়। আকৌ কবিতাটোত ‘এই জন্মত’ শব্দটোৱে এক গভীৰ তাৎপৰ্য বহন কৰিছে। পৃথিৱীৰ মানৱ সৃষ্ট সভ্যতা যদি এদিন কিবা কাৰণত সম্পূৰ্ণৰূপে ধ্বংস হৈ যায়, তেতিয়া পুনৰ মানৱসভ্যতা আদিম কৃষিভিত্তিক জীৱনলৈ প্ৰত্যাগমন কৰিব লাগিব। কবিয়ে এই জন্মতহে উভতি আহিবনে নাহে বুলি সন্দেহ প্ৰকাশ কৰিছে। বেলেগ এটা জনমত ইয়াক ঘূৰাই পোৱাটোৰ সম্ভাৱনা অস্বীকাৰ কৰা নাই।

**সামৰণি :**

অসমীয়া গ্ৰাম্য জীৱনক কবিতাত সজীৱ ৰূপ দিয়াত নিৰ্মল প্ৰভা বৰদলৈ সফল কবি। অসমৰ অকৃত্ৰিম প্ৰাণচাঞ্চল্যৰে ভৰা গ্ৰাম্য সমাজখনলৈ বিশ্বায়ন আৰু বিজ্ঞান প্ৰযুক্তিবিদ্যাই দ্ৰুত পৰিবৰ্তন সাধন কৰিছে। ‘কৰুণতম’ কবিতাটো ‘মৰ্মান্তিক’ৰ সমগোত্ৰীয় কবিতা। ইয়াতো হেৰাই যোৱা কৃষিজীৱী আৰু হস্তশিল্পী, পিতৃ-মাতৃৰ মাজত এক সমৃদ্ধ সংস্কৃতি কবিয়ে লক্ষ্য কৰিছে —

আহিনৰ পথাৰৰ গোন্ধ
কেনেবাকে’ নাকত আহি লাগিলে
মই হেৰা পাওঁ মোৰ দেউতাক।
দোকানৰ জাপভঙা
গামোচাৰ সুবাসত
মই হেৰা পাওঁ মোৰ আইক।
মই মোক
মোৰ সন্তানৰ কাৰণে
ক’ত থৈ যাম
ক’ত??

আহি থকা সভ্যতা সংস্কৃতি সম্পূৰ্ণৰূপে বিশ্বায়নে সৃষ্টি কৰা এক গণ-সংস্কৃতি। এই আধুনিক সংস্কৃতিত প্ৰত্যেকেই নিজস্বতা হেৰুৱাই অস্তিত্ব সংকট (Identity Crisis) ৰ সন্মুখীন হৈছে। নতুন প্ৰজন্মৰ কাৰণে আমি কি এৰি থৈ যাম? তাক লৈ কবি সন্দিহান।

**যোগাযোগৰ ঠিকনা:**
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ, পাণ্ডু মহাবিদ্যালয়
ফোন নং : ৭০০২২-৪৯৫৬৩
ই-মেইল : tonoyjd@gmail.com